**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮৫/২০১৯**

## শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে আৱেগৰ দ্বাৰা কোনো সমস্যা সমাধান নহয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ ভাষা, সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ হ'কে আত্মবলিদান দিয়া শ্বহীদ সকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে এই সমগ্ৰ প্ৰকল্পটো ৯৮ বিঘা ভূমি সামৰি ৰূপায়ণ কৰা হ'ব।

জাতীয় শ্বহীদ সকলক শ্ৰদ্ধা নিবেদন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানে ভৱিষ্যত প্ৰজন্মক শ্বহীদ সকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমৰ উন্নয়নৰ বাবে নিষ্ঠা সহকাৰে কাম কৰাৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সকলো জাতি-জনগোষ্ঠীক আস্থা আৰু বিশ্বাসত লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমখন শক্তিশালী কৰাৰ যাত্ৰাত বৰ্তমানৰ চৰকাৰ অগ্ৰসৰ হৈছো। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ চৰকাৰে শাসনভাৰ লোৱাৰ সময়ৰে পৰা ৰাজ্যখনৰ সকলো সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক প্ৰমূল্যবোধ, ভাষা-সাহিত্য, মাটি-ভেটি সুৰক্ষিতকৰণৰ জৰিয়তে সকলোৰে স্বাভিমান বৰ্তাই ৰখাৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি আহিছে। বহু বছৰৰ বিৰতিৰ অন্তত অসমৰ বুকুত শান্তিৰ বাতাবৰণ গঢ়ি উঠিছে। বৰ্তমানৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে অসমৰ নৱ প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যতকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে যি নিষ্ঠা সহকাৰে পদক্ষেপ লৈছে সেয়া অসমৰ ৰাইজে ভালদৰে উপলব্ধি কৰিব পাৰিছে বুলি তেওঁ কয়। সুস্থিৰ আৰু শান্তিপূৰ্ণ বাতাবৰণ সৃষ্টিৰ মূহুৰ্তত যদি কোনোবাই এই শান্তিপূৰ্ণ বাতাবৰণ বিনষ্ট কৰিব খোজে সেয়া নিশ্চত ভাবে জাতীয় স্বাৰ্থৰ পৰিপন্থী। বিশ্বৰ বুকুত অসমক প্ৰতিষ্ঠা কৰা আৰু আই মাতৃক সুৰক্ষিত কৰাৰ বাবে শ্বহীদ সকলে আত্মবলিদান দিছিল। এই কথা আমি সকলোৰে উপলব্ধি কৰা উচিত বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই কথা যদি আমি উপলব্ধি কৰিব নোৱাৰো তেতিয়া হ'লে এই প্ৰতিযোগিতাৰ পৃথিৱীত আমি তিষ্ঠি থাকিব নোৱাৰিম বুলিও তেওঁ কয়।

কৰ্ম সংস্কৃতি আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰা আমি আমাৰ ভৱিষ্যত সুৰক্ষিতকৰণৰ বাবে কাম কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত প্ৰচুৰ সম্পদ আৰু সম্ভাৱনীয়তা আছে। সেয়েহে এই সম্পদ আৰু সম্ভাৱনীয়তাখিনি আমি যদি কামত খটুৱাই কঠোৰ পৰিশ্ৰমৰ দ্বাৰা আগবাঢ়িব নোৱাৰো, তেতিয়া হ'লে শ্বহীদৰ আত্মাই কেতিয়াও শান্তি পাব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক কৰ্ম সংস্কৃতিৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ দিশত অনুপ্ৰাণিত কৰিবলৈ সকলোকে আহ্বান জনায়। শিক্ষাৰ জৰিয়তেহে অসমক আগুৱাই নিয়াটো সম্ভৱ বুলি মুখ্যমন্ত্ৰীয়ে কয়। সেয়েহে অসমৰ বুকুত অযুক্তিকৰ ভাৱে মানুহৰ মাজত অপ্ৰচাৰ চলাই এই প্ৰতিযোগিতাৰ যুগৰ পৰা যদি আঁতৰাই ৰখাৰ বাবে কোনোবাই

প্ৰচেষ্টা চলায় তেতিয়া হ'লে আমি কোনো দিনে আগুৱাই যাব নোৱাৰিম। মহাপুৰুষ আৰু মহান-মনীষীসকলৰ আদৰ্শৰে সংপৃক্ত আমাৰ ৰাজ্যখন কোনো দিনেই দুৰ্বল নাছিল আৰু দুৰ্বল হ'ব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই খন ৰাজ্যৰ অস্তিত্ব কোনো দিনে, কোনো কালে বিপন্ন হ'ব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয়। প্ৰতিটো প্ৰত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ বাবে বৃহত্তৰ অসমীয়া জাতিৰ আত্মবিশ্বাস আছে আৰু এই আত্মবিশ্বাস কঠোৰ পৰিশ্ৰমৰ মাজেৰে সুদৃঢ় কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনাহকত মানুহৰ মাজত ভূল বাৰ্তা দিয়াটো সামাজিক অপৰাধ বুলি উল্লেখ কৰি অসমীয়া জাতিয়ে অতীতত বহুতো প্ৰত্যাহ্বান নেওচি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কিন্তু কোনো দিনেই অসমীয়া জাতীয়ে সেই প্ৰত্যাহ্বানৰ সন্মুখত মূৰ দোওৱা নাই। প্ৰতিটো প্ৰত্যাহ্বানৰ বলিষ্ঠ প্ৰত্যুত্তৰ দি আহিছে। ইতিহাসৰ পাতে পাতে আদৰ্শ, অনুপ্ৰেৰণা আৰু মনোৱলৰ বিভিন্ন উৎস আছে। সেয়েহে মুখ্যমন্ত্ৰীয়ে অসমক বিশ্বৰ এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনায়। ৰাজ্যখনক সকলো ক্ষেত্ৰতে এখন জাকত জিলিকা ৰাজ্য হিচাপে পৰিগণিত কৰাৰ দিশত উৎসৰ্গিত মনোভাৱেৰে সকলোৱে কাম কৰিব লাগিব। ইয়াৰ বাবে ইতিবাচক দৃষ্টি ভংগীৰ প্ৰয়োজন বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বীৰ শ্বহীদ সকলে জাতিটোক আগুৱাই নিয়াৰ স্বপ্ন ৰচিছিল। সেয়েহে ৰাজ্যখনৰ ভাষা, কৃষ্টি-সংস্কৃতিকে ধৰি সকলো দিশৰ সুৰক্ষিতকৰণৰ বাবে বৰ্তমানৰ চৰকাৰখনে আত্মনিয়োগ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৭০ বছৰে মাটিৰ অধিকাৰ নোপোৱা খিলঞ্জীয়া ভূমি পুত্ৰ সকলৰ মাটিৰ অধিকাৰ প্ৰদানৰ বাবে বৰ্তমানৰ চৰকাৰে নতুন ভূমি নীতি প্ৰৱৰ্তন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভূমিহীন খেতিয়ক, বান বিধস্ত খেতিয়ককে ধৰি ভূমিহীন সকলক মাটিৰ পট্টা দিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰি ইতিমধ্যে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই কথাটোৱে বৰ্তমানৰ চৰকাৰখনৰ মাটি-ভেটি সুৰিক্ষত কৰণৰ বাবে থকা দায়বদ্ধতাৰ কথাটোকে সূচাইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰতিটো জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য সুৰক্ষাৰ বাবে বৰ্তমানৰ চৰকাৰখনে 'ভাষা গৌৰৱ'ৰ দৰে আঁচনি গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। খিলঞ্জীয়া ভূমি পুত্ৰসকলৰ মাটি-ভেটি, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য সুৰক্ষিতকৰণৰ দিশত বৰ্তমানৰ চৰকাৰখনে নিষ্ঠা সহকাৰে কাম কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইখন চৰকাৰে যি প্ৰতিশ্ৰুতিৰে শাসন ভাৰ গ্ৰহণ কৰিছিল সেই প্ৰতিশ্ৰুতিৰে কাম কৰি আছে আৰু ভৱিষ্যতেও কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইখন চৰকাৰে খিলঞ্জীয়া ভূমি পুত্ৰ সকলক কোনো দিনে অনিশ্চিয়তাত নাৰাখে আৰু ভৱিষ্যত সুৰক্ষিতকৰণৰ দিশত সদায়ে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বীৰ শ্বহীদৰ আদৰ্শৰে আমি জাতিটো ৰক্ষা কৰিব লাগিব। সমন্বয়ৰ দ্বাৰা সমাজ শক্তিশালী হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অনাহকত বিভেদৰ সৃষ্টি নকৰাৰ বাবেও সকলোকে আহ্বান জনায়। ভুল বাখ্যাক ইতিহাসে কেতিয়াও ক্ষমা নকৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সময়ে কাকো ক্ষমা নকৰে বুলিও কয়। এইখন চৰকাৰ জাতিটোৰ বাবে দায়বদ্ধ আৰু প্ৰতিজ্ঞা বদ্ধ। এই চৰকাৰ থকালৈকে এই জাতিক কোনেও নিঃশেষ কৰিব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে গৃহ মন্ত্ৰী অমিত শ্বাহে সদনত কালি প্ৰতিশ্ৰুতি দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম আন্দোলনৰ পিছত খিলঞ্জীয়াৰ সাংবিধানিক ৰক্ষা কবচ যদি অসমীয়া জাতিয়ে লাভ কৰে তেতিয়া হ'লে সেইটো

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ দিনতে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই কথা যুক্তি সহকাৰে সকলোৱে বিবেচনা কৰা উচিত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আৱেগৰ দ্বাৰা কোনো সমস্যাৰ সমাধান সম্ভৱ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আৱেগে কেতিয়াও স্থায়ী সমাধান দিব নোৱাৰে বুলিও দৃঢ়তাৰে কয়। আৱেগে ক্ষন্তেকৰ বাবে এক পৰিৱেশ সৃষ্টি কৰিলেও কেৱল যুক্তিয়েহে স্থায়ী সমাধানৰ পথ প্ৰশস্ত কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। সেয়েহে যুক্তিক প্ৰাধ্যনতা দিবলৈও মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। আজি কিছু দিনৰ পৰা যুৱ শক্তিয়ে যি আচৰণ প্ৰদৰ্শন কৰিছে সেই আচৰণেৰে সমাজ কেতিয়াও আগুৱাব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মানৱীয় আচৰণেৰে এখন সুন্দৰ সমাজ গঢ় দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এইখন চৰকাৰে যি কাম কৰিছে সম্পূৰ্ণ স্বচ্ছতাৰে কৰিছে আৰু জনসাধাৰণক ঈশ্বৰ হিচাপে জ্ঞান কৰি কৰিছে আৰু ভৱিষ্যতেও এই ক্ষেত্ৰত দৃঢ়তাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত বিত্ত, গড়কপ্তানি, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, বিটিচিৰ উপপ্ৰধান খাম্পা বৰগয়াৰী, পশ্চিম গুৱাহাটী বিধান সভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভাৰলী, ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবোলাল গাৰ্লোছা, বিধায়ক ঋতুপৰ্ণ বৰুৱা, ডাঃ নোমল মমিনৰ লগতে উচ্চপদস্থ বিষয়া সকল উপস্থিত আছিল।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ /**
**১০/১২/২০১৯**